নটোৰ বাণী

ং লেখকৰ প্ৰধান
হ'ল ভাষাৰ সৰলতা
আৰু স্পষ্টতা।
— ফ্ৰেডেৰিক এমিয়েল

অসম আদিত্য

RNI REGN.
epap
Portal :
e-mail :

ছৰ ■ সংখ্যা ৩৮ ■ ২৭ মাঘ, ১৯৪৭ শক ■ মঙলবাৰ, ১০ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, February 10, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰ

কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ সামৰণী অনুষ্ঠানত ড° বিনোদ বড়া

লোকসংগীত নিজেই প্ৰভাৱশালী বিশ্বজনীন ভাষা

ষ্টাফ ৰিপৰ্টাৰ, ৯ ফেব্ৰুৱাৰী ঃ 'ড° ভূপেন হাজৰিকাৰ গীতৰ ভাষাৰ আবেদন বিশ্বজনীন। সংগীত আৰু পৰিৱেশন শৈলীৰ ক্ষেত্ৰতো তেওঁ যি সৰল আৰু উদাৰ আৱেগ সৃষ্টি কৰি লৈছিল ইয়ো বিশ্বজনীনতাৰে আন এক নিদৰ্শন আছিল।' — কানৈ মহাবিদ্যালয়ত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ ৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম মহিলা বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ বড়াই এইদৰে কয়। লগতে সুধাকণ্ঠৰ ব্যক্তিত্বৰ বিষয়ে ক'বলৈ গৈ তেওঁ কয়— লোককলা, লোকজীৱন, লোকভাবনা আৰু লোকসংগীত নিজেই এক অত্যন্ত প্ৰভাৱশালী বিশ্বজনীন ভাষা। পঞ্জীয়কগৰাকীয়ে কয়— শিপাক পাহৰিব নালাগে, পুৰণি শিপাতে ন-গজালি মেলে। উল্লেখ্য যে, ভাৰত ৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, বাংলা বিভাগ, হিন্দী বিভাগ, সংস্কৃত বিভাগ আৰু স্নেহবন্ধনৰ সহযোগত আয়োজিত ড° ভূপেন হাজৰিকা ঃ অসমীয়া জাতীয়তাবাদ আৰু বৃহত্তৰ মানৱতা শীৰ্ষক দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ ৭ ফেব্ৰুৱাৰীত সফল সমাপ্তি হৈ যায়। দুদিনীয়াকৈ অনুষ্ঠিত আলোচনা চক্ৰখনিৰ সৰ্বমুঠ কুৰিখন কাৰিকৰী সত্ৰত বিভিন্ন অধ্যাপক-অধ্যাপিকা, গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা পত্ৰ পাঠ কৰে আৰু সমল ব্যক্তিসকলৰ জ্ঞানগভীৰ বক্তব্যৰে আলোচনা সত্ৰখন সৰস তথা সাফল্যমণ্ডিত হয়। মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা সামৰণি সভাত উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী শিখামণি কোচ দেউৰীয়ে। মহাবিদ্যালয়ৰ প্ৰকাশন কোষৰ হৈ অসমীয়া বিভাগে প্ৰকাশ কৰা 'নতুন শতিকা ঃ সাহিত্য-সমাজ-সংস্কৃতিৰ নতুন দিগ্‌বলয়' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। গ্ৰন্থ উন্মোচন কৰি ড° শইকীয়াই কয়— মহাবিদ্যালয়ৰ অসমীয়া বিভাগে এখন সুন্দৰ গ্ৰন্থ প্ৰকাশ কৰি বিদ্যায়তনিক পৰিৱেশ ৰচনাৰ ক্ষেত্ৰত এক ইতিবাচক দিশৰ গঢ় দিছে। অধ্যক্ষগৰাকীয়ে কয়— কিতাপ নপঢ়া জাতিয়ে কেতিয়াও মূৰ দাঙি থাকিব নোৱাৰে। অনুষ্ঠানত লণ্ডনৰ নিৱাসী স্নেহবন্ধনৰ সভাপতি, অধ্যাপিকা মঞ্জিৰা চৌধুৰীয়ে সন্মানীয় অতিথি হিচাপে অনলাইন যোগে সংযুক্ত হৈ কয়— সমাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ হ'লে সৎ সংগৰ সান্নিধ্যৰ প্ৰয়োজন। তেওঁ লগতে কয় যে ড° ভূপেন হাজৰিকাই ছাত্ৰাৱস্থাৰে পৰা মহান মনিষীৰ সান্নিধ্য লাভ ব্যক্তিত্ব বিকাশৰ নিদৰ্শন দি থৈ গৈছে, লগতে শাস্ত্ৰীয় সংগীতৰ শিক্ষাই জীৱন পৰিশীলিত কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী উপস্থিত থাকি কয়— সৃষ্টিশীলতা যে কিমান আকৰ্ষণীয় সেই কথা ড° ভূপেন হাজৰিকাই খুব সুন্দৰকৈ বুজাই থৈ গৈছে। অনুষ্ঠানৰ শেষত আলোচনা চক্ৰত অংশগ্ৰহণ কৰা অংশগ্ৰহণকাৰীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলৰ হৈ ভাস্কৰ দাসে অনুভৱ ব্যক্ত কৰে। শেষত আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ সাফল্যমণ্ডিত কৰাত সহায়-সহযোগ কৰা প্ৰতিজন ব্যক্তিকে সমন্বয়ক ড° মনমী বৰুৱাই কৃতজ্ঞতা আৰু শলাগ জ্ঞাপন কৰে।

টেঙাখাতত দুটা কেন্দ্ৰ

আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা

বিশেষ প্ৰতিবেদক, টেঙাখাত, ৯ ফেব্ৰুৱাৰী ঃ ৰাজ্যৰ বিভিন্ন কেন্দ্ৰৰ লগতে টেঙাখাতৰ দুটা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। সেই অনুসৰি টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰত এই বছৰ স্থানীয় ১৩ খন বিদ্যালয়ৰ পৰা